**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-11-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***<u>HEADLINES</u>***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শিক্ষাক সমাজ আৰু ৰাষ্ট্ৰৰ উন্নয়নৰ প্ৰেৰণা বুলি অভিহিত কৰিছে।

২। বিহাৰৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰিব।

৩। **মেৰা বুথ সবছে মজবুত** কাৰ্যসূচীৰ অধীনত বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ মহিলাসকলৰ সৈতে মত বিনিময় কৰিব।

৪। সামাজিক উন্নয়ন বিষয়ৰ বিশ্ব শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ দপ্তৰৰ মন্ত্ৰী মনসুখ মন্দাভিয়া দোহাত উপস্থিত হৈছে।

আৰু

৫। বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ ৰাজ্য মন্ত্ৰী জিতিন প্ৰসাদে আজি বুখাৰেষ্টত ৰোমানিয়াৰ মন্ত্ৰী অ'ৰানা ছিল্‌ভিয়া ট'যুৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শিক্ষাক কেৱল আত্মনিৰ্ভৰশীলতাৰ পথেই নহয়, বৰঞ্চ সমাজ আৰু ৰাষ্ট্ৰৰ উন্নয়নৰ প্ৰেৰণা বুলি অভিহিত কৰিছে। উত্তৰাখণ্ডৰ কুমাউ বিশ্ববিদ্যালয়ত আজি আয়োজিত কুৰি সংখ্যক দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰি তেওঁ এইদৰে মতপ্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক ৰাষ্ট্ৰগঠনৰ ক্ষেত্ৰত বৰঙণি আগবঢ়াবলৈ আৰু অৱহেলিতসকলৰ প্ৰতি সেৱা আগবঢ়োৱাৰ বাবে আহ্বান জনায়।

তিনিদিনীয়া উত্তৰাখণ্ড ভ্ৰমণসূচীৰে কালি নাইনিতালত উপস্থিত হোৱা ৰাষ্ট্ৰপতিগৰাকীয়ে ইয়াৰ পূৰ্বে আজি পুৱা নাইনিতালৰ কেইঞ্চি ধামত অৱস্থিত নীম কৰ'লী বাবাৰ আশ্ৰম আৰু মা নেইনা দেৱী মন্দিৰত সেৱা আগবঢ়ায়। তেওঁ উভয় স্থানতে দেশৰ শান্তি আৰু সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা জনায়। শ্ৰীমতী মুৰ্মুৰ মন্দিৰ দৰ্শনৰ সময়ত উত্তৰাখণ্ডৰ ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল গুৰমিত সিঙেও তেওঁক সংগ দিয়ে।

০০০০০০০০০

বিহাৰৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰিব। এই পৰ্যায়ত ৰাজ্যখনৰ ১৮ খন জিলাৰ মুঠ ১২১ টা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। প্ৰথম পৰ্যায়ত অহা ছয় নৱেম্বৰত হ'বলগীয়া এই নিৰ্বাচনৰ বাবে নিৰাপত্তা ব্যৱস্থা ইতিমধ্যে কটকটীয়া কৰি তোলা হৈছে। এন ডি এ আৰু মহা মিত্ৰজোঁটৰ লগতে অন্যান্য ৰাজনৈতিক দলৰ তাৰকা প্ৰচাৰকসকলে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ বাবে শেষ চেষ্টাত নামি পৰা পৰিলক্ষিত হৈছে। নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ উপৰি ভিন ভিন ৰাজনৈতিক দলৰ নেতা-কৰ্মীসকলে সমদল, জনসভা আদিৰ জৰিয়তে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি ভোজপুৰ আৰু গয়াত আয়োজিত নিৰ্বাচনী সভাত ভাষণ দিব। একেদৰে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙে আজি বিহাৰৰ বৈশালী জিলাৰ ৰঘুপুৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থীৰ হকে নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে। তেওঁ পাটনাৰ ফাটুহা, চহৰছাৰ চিন্ৰী ভক্তিয়াৰপুৰ আৰু মুংগেৰৰ তাৰাপুৰত হ'বলগীয়া নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও দ্বাৰভাংগা, পূব চাম্পাৰণ আৰু পশ্চিম চাম্পাৰণ জিলাৰ নিৰ্বাচনী সভাত এন ডি এ প্ৰাৰ্থীৰ হৈ প্ৰচাৰত ভাগ ল'ব।

মহা মিত্ৰজোঁটৰ হৈ কংগ্ৰেছৰ জ্যেষ্ঠ নেতাসকলে আজি গয়া আৰু ঔৰংগাবাদত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিব। মহা মিত্ৰজোঁটৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী তেজস্বী প্ৰসাদ য়াদৱে সমষ্টিপুৰ, বেগুচৰাই, সহৰস আৰু দ্বাৰভাংগাকে ধৰি বিভিন্ন স্থানত আয়োজিত ১৭ খন নিৰ্বাচনী সভাত ভাষণ দিব। একেদৰে সমাজবাদী পাৰ্টিৰ সভাপতি অশিলেখ য়াদৱে মহা মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সমৰ্থনত গয়াত  আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

ooooooooo

**মেৰা বুথ সবছে মজবুত** কাৰ্যসূচীৰ অধীনত বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ মহিলাসকলৰ সৈতে মত বিনিময় কৰিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে এই কাৰ্যসূচীক লৈ তেওঁৰ উৎসাহ প্ৰকাশ কৰি কয়, যে বিহাৰৰ বিধানসভা নিৰ্বাচনত বিজেপি-এন ডি এ মিত্ৰজোঁটক জয়ী কৰাবলৈ মহিলাসকলে সৰ্বতোপ্ৰকাৰে অৰিহণা যোগাইছে। তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণে বিহাৰত গণতান্ত্ৰিক যাত্ৰা শক্তিশালী কৰাত যথেষ্ট সহায় কৰা বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে।

ooooooooo

সামাজিক উন্নয়ন বিষয়ৰ বিশ্ব শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণত  অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ দপ্তৰৰ মন্ত্ৰী মনসুখ মন্দাভিয়া দোহাত উপস্থিত হৈছে। কাটাৰ চৰকাৰৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ এই শীৰ্ষ সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনৰ সময়ছোৱাত ড০ মন্দাভিয়াই সামাজিক ন্যায়ৰ ক্ষেত্ৰত গোলকীয় সহযোগিতাৰ বাবে সামগ্ৰিক আৰু সমবিকাশ সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থাৰ মন্ত্ৰী পৰ্যায়ৰ আলোচনাত ভাৰতক প্ৰতিনিধিত্ব কৰিব। শীৰ্ষ সন্মিলনৰ প্ৰাৰম্ভিক বৈঠকত মন্ত্ৰীগৰাকীয়ে ভাৰতৰ তৰফৰ পৰা ৰাষ্ট্ৰীয় বক্তব্য উপস্থাপন কৰাৰ লগতে দোহা ৰাজনৈতিক ঘোষণা গ্ৰহণ কৰাৰ ক্ষেত্ৰত বিশ্বৰ নেতাসকলৰ সৈতে অংশগ্ৰহণ কৰিব। তেওঁ লগতে দাৰিদ্ৰ্য দূৰীকৰণ, সকলোৰে বাবে সম্পূৰ্ণ তথা উৎপাদনশীল কৰ্ম সংস্থাপনৰ লগতে সন্মানজনক কাম আৰু সামাজিক অন্তৰ্ভুক্তিকৰণ, সামাজিক উন্নয়নৰ এই তিনিটা মূল স্তম্ভ শক্তিশালী কৰাৰ ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ ঘূৰণীয়া মেজমেলত ভাষণ দিব।

এই শীৰ্ষ সন্মিলনৰ অৱসৰত নীতি আয়োগৰ উদ্যোগত কাইলৈ আয়োজন কৰা এটা অনুষ্ঠানত ভাগ লৈ তেওঁ দৰিদ্ৰতা দূৰীকৰণ, আত্মসহায়ক গোট আৰু সমবায়ৰ জৰিয়তে মহিলাৰ অৰ্থনৈতিক সৱলীকৰণ আৰু সামাজিক নিৰাপত্তাৰ প্ৰসাৰৰ ক্ষেত্ৰত ভাৰতে লাভ কৰা সাফল্যৰ বিষয়ে তেওঁ ব্যাখ্যা কৰিব।

ড০ মন্দাভিয়াই এই ভ্ৰমণকালত কাটাৰ, ৰোমানিয়া, মৰিছাছ আৰু ইউৰোপীয় সংঘৰ মন্ত্ৰীসকলৰ লগতে আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংগঠনৰ সঞ্চালক প্ৰধান আৰু ৰাষ্ট্ৰসংঘৰ বিষয়াসকলৰ সৈতে  দ্বিপাক্ষিক বৈঠকতো অংশগ্ৰহণ কৰিব। পৰৱৰ্তী সময়ত মন্ত্ৰী  ড০ মন্দাভিয়াই শ্ৰম আৰু নিয়োগ মন্ত্ৰালয় তথা আই বি পি চিয়ে যুটীয়াভাৱে আয়োজন কৰা এন চি এছৰ অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০০০০০

বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ ৰাজ্য মন্ত্ৰী জিতিন প্ৰসাদে আজি বুখাৰেষ্টত ৰোমানিয়াৰ মন্ত্ৰী অ'ৰানা ছিল্‌ভিয়া ট'য়ুৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ বাণিজ্য আৰু মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে তেওঁলোকৰ এই বৈঠকৰ সময়ত উভয় দেশৰ মাজত বাণিজ্যৰ সম্প্ৰসাৰণ, বিনিয়োগৰ আকৰ্ষণ বৃদ্ধি কৰা আৰু ভাৰতৰ আৰু ইউৰোপীয় ইউনিয়নৰ মাজৰ বৃহত্তৰ অৰ্থনৈতিক গাঁথনিগত আঁচনিৰ সৈতে সংগতি ৰাখি যোগান শৃংখল শক্তিশালী কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। একে সময়তে চলিত বছৰটোৰ ভিতৰত পৰস্পৰৰ পক্ষে লাভজনক হোৱাকৈ ভাৰত-ইউৰোপীয় সংঘৰ মাজত এখন সন্তুলিত মুক্ত বাণিজ্য চুক্তি সম্পাদনৰ হকে কাম কৰাৰ বাবেও উভয়পক্ষই সন্মতি প্ৰকাশ কৰে। দুয়োগৰাকী মন্ত্ৰীয়ে বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰত ভাৰত আৰু ৰোমানিয়াৰ মাজত বৰ্তি থকা সুস্থিৰ সম্পৰ্কৰ বিষয়েও পৰ্যালোচনা কৰে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে সামাজিক মাধ্যমযোগে পাকিস্তানৰ একাউণ্টযোগে কৰ্ণেল ছোফিয়া কুৰেশ্বি সন্দৰ্ভত প্ৰচাৰিত ভিডিঅ'টোৰ সত্যতা অস্বীকাৰ কৰিছে। ভিডিঅ'টোত ছোফিয়া কুৰেশ্বিয়ে বিহাৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ত্ৰিশূল সামৰিক অনুশীলন চলোৱাটো ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি মত প্ৰকাশ কৰাৰ বিষয়ে ভুৱা প্ৰচাৰ চলোৱা হৈছে। প্ৰেছ্‌ ইনফৰমেছন ব্যুৰোৰ সত্যাসত্য নিৰূপণ গোটে কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত ভিডিঅ'টো সম্পূৰ্ণৰূপে ভুৱা বুলি স্পষ্টীকৰণ দিছে। দেশৰ নাগৰিকসকলক বিপথে পৰিচালিত কৰা আৰু দেশৰ সেনা বাহিনীসমূহৰ বিৰুদ্ধে জনসাধাৰণৰ অসন্তুষ্টি বৃদ্ধি কৰাৰ উদ্দেশ্যৰে এই ভিডিঅ'টো প্ৰস্তুত কৰা হৈছে বুলি পি আই বিয়ে প্ৰকাশ কৰিছে। কৰ্ণেল কুৰেশ্বিয়ে এনে ধৰণৰ মন্তব্য প্ৰকাশ কৰা নাই বুলি  পি আই বিৰ গোটটোৱে স্পষ্ট কৰি দিছে। তেওঁলোকে লগতে এনে ধৰণৰ ভুৱা তথ্যৰ বিষয়ে ৮৭৯৯৭ ১১২৫৯ নম্বৰত ফোন কৰি অথবা factcheck@pib.gov.inত  অভিযোগ দাখিল কৰিবলৈ জনসাধাৰণক অনুৰোধ জনাইছে।

০০০০০০০০০

ৰিয়াদত থকা ভাৰতীয় দূতাবাসে আয়োজন কৰা ২০২৫ বৰ্ষৰ প্ৰবাসী পৰিচয় কাৰ্যসূচীৰ তৃতীয় সংস্কৰণৰ কালি সামৰণি পৰে। অনুষ্ঠানত গীতা মহোৎসৱ শীৰ্ষক সংগীতানুষ্ঠানৰ আয়োজন কৰা হয়। ২৮ অক্টোবৰৰ পৰা ৩ নৱেম্বৰলৈ সপ্তাহজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত এই অনুষ্ঠানত শাস্ত্ৰীয় নৃত্য, সংগীত, লোককলা আৰু পৰম্পৰাগত কলাৰে সমৃদ্ধ ভাৰতীয় সংস্কৃতি প্ৰদৰ্শন কৰা হয়। ৰিয়াদত থকা বৈদেহী নৃত্য বিদ্যালয়ৰ ছাত্ৰীসকলে প্ৰদৰ্শন কৰা সংগীত আৰু নাটকে ভগৱত গীতাৰ বাৰ্তা জীৱন্ত কৰি তোলে। বিদেশ ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙৰ ভিডিঅ' বাৰ্তাৰে এই অনুষ্ঠান আৰম্ভ হয়। অনুষ্ঠানত পদ্মশ্ৰী তথা সংগীত নাটক একাডেমী বঁটা বিজেতা প্ৰতিভা প্ৰহ্লাদো উপস্থিত আছিল।

অনুষ্ঠানত ভাষণ দি ভাৰতৰ ৰাষ্ট্ৰদূত ডাঃ ছোহেল এজাছ খানে কয়, যে গীতা মহোৎসৱ প্ৰবাসী ভাৰতীয়সকলক ভাৰতীয় ঐতিহ্য   পৰম্পৰাৰ সৈতে জড়িত কৰা গভীৰ সাংস্কৃতিক আৰু আধ্যাত্মিক চিন্তাধাৰ উজ্জীৱিত কৰা আৰু গীতাত অন্তৰ্নিহিত সৎভাৱ, কৰ্তব্য আৰু নিঃস্বাৰ্থ কৰ্মৰ বাৰ্তাৰ সৈতে নিজকে জড়িত কৰাৰ এটা প্ৰয়াস। উল্লখযোগ্য যে, ভাৰতীয় সংস্কৃতি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দাঙি ধৰাৰ উদ্দেশ্যে ভাৰতীয় দূতাবাসে প্ৰথমবাৰৰ বাবে ২০২৩ চনত এই কাৰ্যসূচী অনুষ্ঠিত কৰিছিল।

০০০০০০০০০

সমাপ্ত